অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং : ২৩৬

উত্তৰ দানৰ তাৰিখ : ২৭/০৭/২০২৬

*বিষয় :* ৰাজসাহাৰ্য্যযুক্ত সূতা-তাঁতশাল বিতৰণ ।

বিধায়কৰ নাম- ড° তপন দাস :

**প্ৰশ্ন**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰে হস্ততাঁত শিল্পৰ লগত জড়িত শিপিনীসকলক বিনামূলীয়া বা ৰাজসাহাৰ্য্যপ্ৰাপ্ত শাল আৰু সূতা যোগান ধৰাৰ নতুন আঁচনি বা পৰিকল্পনা আছে নেকি? জনাব ।

(খ) অসমত বছৰি কিমান Powerloom-ত প্ৰস্তুত গামোছা উৎপাদন বা আমদানি হয় ? চৰকাৰৰ হাতত ইয়াৰ কোনো তথ্য আছে নেকি?

(গ) ডিমৰীয়া বিধানসভা সমষ্টিৰ শিপিনীসকলৰ লগতে ৰাজ্যৰ অন্যান্য অঞ্চলৰ শিপিনীসকলক শাল আৰু সূতা বিতৰণৰ কোনো নতুন আঁচনি বা পৰিকল্পনা আছে নেকি?

**উত্তৰ**

মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী মহোদয়ে উত্তৰ দিব:

**(ক)**: অসম চৰকাৰে হস্ততাঁত শিল্পৰ লগত জড়িত শিপিনীসকলক বিনামূলীয়া বা ৰাজসাহাৰ্য্যপ্ৰাপ্ত শাল যোগান ধৰাৰ বাবে ২০২৬-২৭ বিত্তীয় বৰ্ষত নতুন আঁচনি আছে ।

স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত পঞ্জীয়নভুক্ত শিপিনী/ উদ্যোগীক আধুনিক তাঁতশাল আৰু আনুষংগিক সামগ্ৰী যোগান ধৰাৰ বাবদ ২০২৬-২৭ চনৰ বাজেটত **৯৮,০০,০০০.০০ টকা (আঠানব্বৈ লাখ টকা)** ধাৰ্য্য কৰা হৈছে ।ইয়াৰ উপৰিও হস্ততাঁত বয়নৰ জৰিয়তে শিপিনী সকলৰ অৰ্থনৈতিক উন্নীতকৰণ আঁচনিৰ অধীনত অসমৰ হস্ততাঁত শিল্পৰ লগত জড়িত আত্ম সহায়ক গোট সমূহৰ উন্নয়ণৰ বাবে ২০২৬-২৭ চনৰ বাজেটত **১,৩৭,২০,০০০.০০ টকা(এক কোটি সাতত্ৰিশ লাখ বিশ হাজাৰ টকা)** ধাৰ্য্য কৰা হৈছে ।

**(খ)**: হস্ততাঁত (উৎপাদনৰ বাবে সংৰক্ষিত সামগ্ৰী) আইন, **১৯৮৫**-ৰ ধাৰা **৩** অনুসৰি, গামোচা কেৱল হস্ততাঁতত উৎপাদনৰ বাবেহে সংৰক্ষিত। এই সন্দৰ্ভত, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ বলবৎকৰণ ব্যৱস্থাৰ দ্বাৰা সম্পন্ন কৰা পৰিদৰ্শন অনুসৰি, অসমৰ কোনো যন্ত্ৰচালিত তাঁত (Powerloom) ত গামোচা উৎপাদন হোৱা নাই।

অসমত বছৰি Powerloom-ত প্ৰস্তুত কৰা গামোছা কিমান আমদানি হয়, এই সন্দৰ্ভত হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ,অসমৰ হাতত কোনো তথ্য নাই।

**(গ)**: ডিমৰীয়া বিধানসভা সমষ্টিৰ শিপিনীসকলৰ লগতে ৰাজ্যৰ অন্যান্য অঞ্চলৰ শিপিনীসকলক তাঁতশাল বিতৰণৰ উদ্দেশ্যে ২০২৬-২৭ বিত্তীয় বৰ্ষত স্বনিৰ্ভৰ নাৰী আঁচনি আৰু শিপিনী সকলৰ অৰ্থনৈতিক উন্নীতকৰণৰ আঁচনি লোৱা হৈছে।

**********************************